# **REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

Date : 30-10-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

**----------------------------**

oooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত শদিয়া বিধানসভা সমষ্টিৰ ২৭ হাজাৰ ৫৭৩ গৰাকী আত্মসহায়ক গোটৰ হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। এই উপলক্ষে শদিয়াৰ চপাখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ভাগ লয়।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি বিয়লি উত্তৰ লখিমপুৰৰ খেলমাটিত ৪০ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা ড° ভূপেন হাজৰিকাৰ এটা ১৭ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। তেওঁ লগতে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ শিৰমন্দিৰৰ পৰা নৰ্থ লখিমপুৰ কলেজ চাৰিআলিলৈ ২ কোটি ৮৭ লাখ টকাৰে নিৰ্মাণ কৰা পথছোৱা উদ্বোধন কৰিব। কাইলৈ তেওঁ লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন জনসভাত ভাষণ দিব। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সভাতে ২৮৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ২০৫ খন বিছনাযুক্ত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু নাৰ্ছিং কলেজ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিব। ড° শৰ্মাই লগতে ৩০ খন আসনযুক্ত লখিমপুৰ কেন্সাৰ হাস্পতালৰ কেইবাটাও বিভাগ ৰাইজৰ বাবে মুকলি কৰিব। এই অনুষ্ঠানত লখিমপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ প্ৰদান বৰুৱা, বিধায়ক মানৱ ডেকা, নৰকুমাৰ দলৈ আৰু ড০ অমিয় কুমাৰ ভূঞাঁয়ো অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কাইলৈ ডুমডুমা বিধানসভা সমষ্টিৰ হিতাধিকাৰীসকলৰ মাজত উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰিব।

ooooooo

জনপ্ৰিয় সংগীতজ্ঞ, গীতিকাৰ, সুৰকাৰ, আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অনুষ্ঠান উপস্থাপক চৈয়দ ছাদুল্লাৰ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৭ বছৰ। তেওঁ কিছুদিন ধৰি শাৰীৰিকভাৱে অসুস্থ হৈ আছিল। আকাশবাণী ডিব্ৰুগড়ত বাদ্যযন্ত্ৰী হিচাপে যোগদান কৰা চৈয়দ ছাদুল্লা কুইভাৰ্ছ নামৰ ৭০ দশকৰ সংগীত গোষ্ঠীৰ অন্যতম শিল্পী আছিল। ৮০ দশকত প্ৰচাৰিত আকাশবাণী ডিব্ৰুগড়ৰ ভিন্নৰঙী অনুষ্ঠান বৰ্ণালী মুনীন ভূঞাৰ সৈতে উপস্থাপন কৰি তেওঁ জনপ্ৰিয় হৈ পৰিছিল। পৰৱৰ্তী সময়ত শিল্পীগৰাকীয়ে গীত ৰচনা, সংগীত চৰ্চা আৰু সুৰকাৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰে। তেওঁ আকাশবাণীৰ নাট বিভাগৰ বি হাইগ্ৰেড আছিল আৰু তেওঁ ৰচনা কৰা কেইবাখনো নাটকে ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মান বুটলিবলৈ সমৰ্থ হয়।

ooooooo

ৰাজ্যত ২০০৮ চনৰ ৩০ অক্টোবৰত সংঘটিত উগ্ৰপন্থীৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ ঘটনাৰ আজি ১৭ বছৰ সম্পূৰ্ণ হৈছে। গুৱাহাটী, কোকৰাঝাৰ, বঙাইগাঁও আৰু বৰপেটা ৰোডত সংঘটিত বোমা বিস্ফোৰণত বহু লোকে প্ৰাণ হেৰুৱাইছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উগ্ৰপন্থীৰ দ্বাৰা সংঘটিত ধাৰাবাহিক বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা লোকসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনাইছে। মুখ্যমন্ত্ৰীয়ে উগ্ৰপন্থীৰ বৰ্বৰতাত প্ৰাণ হেৰুওৱাৰ উপৰি বহু লোকক

চিৰদিনৰ বাবে ঘৃণীয়া কৰা এই বিস্ফোৰণৰ ঘটনাৰ কথা উল্লেখ কৰি আহত প্ৰতিগৰাকী ব্যক্তি আৰু আপোনজনক হেৰুওৱা লোকসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। গুৱাহাটী মহানগৰীৰ গণেশগুৰিত মৃত্যু হোৱা লোকসকললৈ শ্ৰদ্ধাঞ্জলি জনাই বন্তি প্ৰজ্বলন কৰা হৈছে। সদৌ অসম ছাত্ৰ সন্থাই আজি ৰাজ্যজুৰি বোমা বিস্ফোৰণত নিহত সকললৈ বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। ঠায়ে ঠায়ে ৰক্তদান শিবিৰো অনুষ্ঠিত হৈছে।

০০০০০০০০

বাক্সা জিলা প্ৰশাসনে আজি চতুৰ্থ বাৰৰ বাবে জিলা দিৱস উদযাপন কৰিছে। ২০০৩ চনৰ আজিৰ দিনটোতে বি টি চি চুক্তি অনুসৰি নলবাৰী, কামৰূপ আৰু বৰপেটা জিলাৰ কিছু অংশ সামৰি বাক্সা জিলা গঠন কৰা হৈছিল। জিলা দিৱস উপলক্ষে আজি চাইকেল সমদলৰ উপৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

চিৰাং জিলা প্ৰশাসনেও আজি জিলা দিৱস উদ্‌যাপন কৰিছে। এই উপলক্ষে প্ৰভাত ফেৰীৰে কাৰ্যসূচী আৰম্ভ কৰাৰ পাছত হাফ মাৰাথন অনুষ্ঠিত হয়। দিনৰ ১০ বজাত স্মৃতি তৰ্পণ আৰু ১১ বজাত মাদক দ্ৰব্য বিৰোধী সমদল উলিওৱা হয়। আবেলি জিলা দিৱসৰ মূল কাৰ্যসূচীত বি টিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে অংশ ল’ব। শ্ৰী মহিলাৰীয়ে জিলা আয়ুক্ত কাৰ্যালয় চৌহদত নৱনিৰ্মিত বিষয়াৰ ভৱন উদ্বোধন কৰিব।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে হাইস্কুল শিক্ষান্ত পৰীক্ষা ২০২৬ ৰ প্ৰপত্ৰ পূৰণৰ বাবে অহা ১ নৱেম্বৰৰ পৰা ৬ নৱেম্বৰলৈ অনলাইন পোৰ্টেল পুনৰ মুকলি কৰাৰ কথা ঘোষণা কৰিছে। এই সন্দৰ্ভত পৰিষদে এখন অধিসূচনা জাৰি কৰি যিসমূহ পঞ্জীয়নকৃত বিদ্যালয়ে এতিয়াও প্ৰপত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা নাই সেই বিদ্যালয়সমূহক নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ আহ্বান জনাইছে। ১ ৰ পৰা ৬ নৱেম্বৰলৈ অনলাইন পোৰ্টেলৰ জৰিয়তে প্ৰপত্ৰ পূৰণ কৰা পৰীক্ষাৰ্থীসকলক দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ বুলি গণ্য কৰা হব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০০০০

**সমাপ্ত**